# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

কৰ্ম মোৰ সংস্কৃতি

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/০২/২২-২৩
Ref :

তাৰিখ : ১৩-০৪-২০২২
Date :

## অসম জাতীয় বিদ্যালয়ত 'ৰঙালী চ'ৰা' উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ১৩ এপ্ৰিল ঃ** ৰঙালী বিহুৰ প্ৰাক্‌ক্ষণত আজি অসম জাতীয় বিদ্যালয়ৰ বাকৰিত 'ৰঙালী চ'ৰা' উদ্‌যাপন কৰা হয়। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে শুভেচ্ছামূলক ভাষণেৰে সকলোকে অনুষ্ঠানলৈ আদৰণি জনায়। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সচিব ডা° নাৰায়ণ শৰ্মাই সকলোকে ৰঙালী বিহুৰ ওলগ জনাই বিদ্যালয়ত অনুষ্ঠিত হোৱা উৎসৱমুখৰ পৰিৱেশৰ বাবে আনন্দ প্ৰকাশ কৰে। ৰঙালী চ'ৰাৰ অনুষ্ঠানত বিদ্যালয়ৰ প্ৰায় দুই শতাধিক শিক্ষাৰ্থী, শিক্ষক-কৰ্মচাৰীয়ে স্বত:স্ফূৰ্তভাৱে বিহুৰ গীত-নৃত্যত অংশগ্ৰহণ কৰে। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱা আৰু শিক্ষয়িত্ৰী সোণালী গগৈয়ে আজিৰ এই অনুষ্ঠানটিৰ আঁত ধৰি সুকলমে সম্পাদন কৰে।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়